# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date : 12-08-**2025

**Time :** 17-15 HRS

***Assamese Evening Bulletin***

-------------------

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশৰ পাছতে নগাঁও জিলাৰ ঢাকাপট্টি নামৰ অঞ্চলটোৰ নাম **ৰূপকোঁৱৰ চ'ক** নামেৰে নামকৰণ কৰা হৈছে। জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই আজি সংবাদমেলযোগে আনুষ্ঠানিকভাৱে এই ঘোষণা কৰে। শেহতীয়াকৈ ঢাকাপট্টিত সংঘটিত হোৱা এটা অনাকাংক্ষিত ঘটনাৰ পাছতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই অঞ্চলটোৰ নাম সলনি কৰাৰ নিৰ্দেশ দিছিল। বিধায়ক ৰূপক শৰ্মাৰ পৰিকল্পনাত অঞ্চলটোৰ নাম **ৰূপকোঁৱৰ চ'ক** নামেৰে নামকৰণ কৰা হৈছে বুলি আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ সংশ্লিষ্ট অঞ্চলটোৰ ব্যৱসায়িক প্ৰতিষ্ঠানসমূহক এমাহৰ ভিতৰত নামফলকত থকা ঢাকাপট্টিৰ পৰিৱৰ্তে **ৰূপকোঁৱৰ চ'ক** লিখিবলৈ আহ্বান জনায়।

ooooo

স্বাধীনতা দিৱসৰ বাবে ৰাজ্যজুৰি বিভিন্ন জিলা প্ৰশাসনে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। আলফা স্বাধীনকে ধৰি কেইবাটাও উগ্ৰপন্থী সংগঠনে এইবাৰ স্বাধীনতা দিৱস বৰ্জনৰ আহ্বান জনোৱাৰ পাছত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। স্বাধীনতা দিৱসৰ সময়ছোৱাত যাতে উগ্ৰপন্থী সংগঠনসমূহে কোনো ধৰণৰ কূটাঘাটমূলক কাৰ্য সংঘটিত কৰিব নোৱাৰে তাৰ বাবে উজনি অসমৰ লগতে গুৱাহাটী মহানগৰী আৰু নামনি অসমৰ বিভিন্ন স্থানত আৰক্ষীয়ে কঠোৰ নিৰাপত্তা ব্যৱস্থা গঢ়ি তুলিছে।

স্বাধীনতা দিৱস উদযাপনৰ বাবে বজালী জিলা প্ৰশাসনেও প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত হ'বলগীয়া স্বাধীনতা দিৱসৰ কাৰ্যসূচীৰ বাবে জিলাখনৰ বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলে পেৰেডৰ অনুশীলন অব্যাহত ৰাখিছে।

আনহাতে যোৱা ২ আগষ্টৰ পৰা কেন্দ্ৰীয় চৰকাৰে আৰম্ভ কৰা **হৰ ঘৰ তিৰংগা** অভিযানৰ অধীনত বিভিন্ন জিলাত প্ৰশাসনে সমদল আদিৰ আয়োজন কৰিছে। বিভিন্ন জিলাৰ সদৰত আৰক্ষী, চি আৰ পি এফ, এন চি চি আৰু স্কাউট এণ্ড গাইডৰ ছাত্ৰ-ছাত্ৰীসকলে পেৰেডৰ অনুশীলন কৰা পৰিলক্ষিত হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই ৰাজ্যৰ ভিন্ন প্ৰান্তত **হৰ ঘৰ তিৰংগা** অভিযান অব্যাহত আছে। বৰপেটা জিলাৰ হাউলীৰ সীমা সুৰক্ষা বাহিনীৰ জোৱানসকলে আজি এই অভিযানৰ সৈতে সংগতি ৰাখি মটৰচাইকেল সমদল উলিয়ায়। এই শোভাযাত্ৰাৰ জৰিয়তে তেওঁলোকে স্বাধীনতা দিৱসত প্ৰতিটো পৰিয়ালক নিজৰ ঘৰৰ চৌহদত ৰাষ্ট্ৰীয় পতাকা উৰুৱাবলৈ আহ্বান জনায়।

শিলচৰৰ অসম বিশ্ববিদ্যালয়তো **হৰ ঘৰ তিৰংগা** কাৰ্যসূচী অনুষ্ঠিত হয়। বিশ্ববিদ্যালয়খনৰ বিভিন্ন বিভাগৰ অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰীসকলে হাতে হাতে ৰাষ্ট্ৰীয় পতাকা লৈ এই কাৰ্যসূচীত অংশ লয়।

০০০০০

রাজ্যত ৮ খন নতুন সমজিলা সংযোজনৰ আজি আনুষ্ঠানিক শুভাৰম্ভ কৰা হয়। কামৰূপ, গোৱালপাৰা, কাছাৰ, শোণিতপুৰ, যোৰহাট আৰু তিনিচুকীয়াত সমজিলা সংযোজন কাৰ্যসূচীত কেইবাগৰাকী মন্ত্ৰীয়ে অংশগ্ৰহণ কৰে। কামৰূপ জিলাত আজি দুখন সমজিলা গঠন কৰা হয়। বকোৰ ডাকুৱাপাৰাত আয়োজিত বকো-ছয়গাঁও সমজিলা কাৰ্যালয় উদ্বোধনী অনুষ্ঠানত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই অংশ লয়। সমজিলাসমূহত মহকুমাৰ তুলনাত অধিক কাম-কাজ কৰিব পৰা হ'ব বুলি তেওঁ ভাষণ প্ৰসংগত প্ৰকাশ কৰে। পলাশবাৰী সমজিলা গঠন অনুষ্ঠানত ৰাজ্য চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী তথা জিলাখনৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে গোৱালপাৰা জিলাৰ দুধনৈ সমজিলাৰ কাৰ্যালয় উদ্বোধন কৰে। এই সমজিলাৰ আয়ুক্তৰ স্থায়ী কাৰ্যালয় নিৰ্মাণৰ বাবে চৰকাৰে ২০ কোটি টকা ধাৰ্য কৰিছে। দুধনৈ সমজিলাৰ আয়ুক্ত হিচাপে অৰুণ কুমাৰ ব্ৰহ্ম আৰু সমজিলা আৰক্ষী অধীক্ষক হিচাপে নুপুৰ ৰঞ্জন নেওগক দায়িত্ব অৰ্পণ কৰা হয়।

মন্ত্ৰী কৃষ্ণেন্দু পালে কাছাৰ জিলাৰ ধলাই সমজিলা কাৰ্যালয় আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। সমজিলা কাৰ্যালয়ৰ বিভিন্ন বিভাগ পৰিদৰ্শন কৰি তেওঁ ধলাইবাসীৰ বাবে আজিৰ দিনটো ঐতিহাসিক বুলি উল্লেখ কৰে।

স্বাস্থ্য মন্ত্ৰী অশোক সিংহলে শোণিতপুৰ জিলাৰ ঢেলামাৰাত আজি সমজিলা আয়ুক্তৰ কাৰ্যালয়ত উদ্বোধন কৰে।

কৃষি মন্ত্ৰী অতুল বৰাই যোৰহাট জিলাৰ টীয়ক সমজিলা আয়ুক্ত কাৰ্যালয়ৰ উদ্বোধনী অনুষ্ঠানত অংশ লয়।

কাইলৈ শোণিতপুৰ আৰু তিনিচুকীয়াত সমজিলা সংযোজনৰ কাৰ্যসূচী অনুষ্ঠিত হ'ব। তিনিচুকীয়াৰ মাকুমত হ'বলগীয়া মাকুম সমজিলাৰ উদ্বোধনী অনুষ্ঠানত মন্ত্ৰী বিমল বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। ইয়াৰ লগে লগে ৰাজ্যত মুঠ সমজিলাৰ সংখ্যা ৪৯ লৈ বৃদ্ধি পাব। বিগত বৰ্ষৰ অক্টোবৰত প্ৰথম পৰ্যায়ত ৩৯ খন সমজিলা সংযোজন কৰা হৈছিল। প্ৰশাসনিক দক্ষতা বৃদ্ধিৰ ক্ষেত্ৰত উল্লেখনীয় পদক্ষেপ হিচাপে গঠন কৰা সমজিলাসমূহে ভূমি, ৰাজহ সম্পৰ্কীয় সেৱা, উন্নয়ন আৰু জনকল্যাণমূলক আঁচনি ৰূপায়ণ প্ৰশাসনিক ক্ষমতা, খাদ্য আৰু অসামৰিক যোগান ব্যৱস্থা নিশ্চিত, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ আঁচনিৰ সফল ৰূপায়ণ আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত জনসাধাৰণক প্ৰয়োজনীয় সুবিধা লাভ কৰাত সহায় কৰিব।

০০০০০

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সন্থাই যৌথভাৱে আয়োজন কৰি অহা **অসম গ্ৰন্থমেলা** এইবছৰ ৰাজ্যখনৰ মুঠ ৮ টা স্থানত আয়োজন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। অসম প্ৰকাশন পৰিষদৰ কাৰ্যালয় সভাকক্ষত আজি অনুষ্ঠিত এখন সংবাদমেলত অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সন্থাই এই কথা প্ৰকাশ কৰে। সেইমৰ্মে ২২ অক্টোবৰৰ পৰা ২৯ অক্টোবৰলৈ বঙাইগাওঁ, ১ নৱেম্বৰৰ পৰা ১০ নৱেম্বৰলৈ লখিমপুৰ, ৬ নৱেম্বৰৰ পৰা ১৭ নৱেম্বৰলৈ নলবাৰী, ১৪ নৱেম্বৰৰ পৰা ২৬ নৱেম্বৰলৈ যোৰহাট, ২৮ নৱেম্বৰৰ পৰা ৭ ডিচেম্বৰলৈ তিনিচুকীয়া, ১ ডিচেম্বৰৰ পৰা ১০ ডিচেম্বৰলৈ শিলচৰ আৰু ১২ ডিচেম্বৰৰ পৰা ১৮ ডিচেম্বৰলৈ মঙলদৈত অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব। গুৱাহাটীত এইবাৰ হ'বলগীয়া অসম গ্ৰন্থমেলা পূৰ্বৰ বাৰ দিনৰ ঠাইত ১৪ দিনীয়াকৈ আয়োজন কৰা হ'ব। বিগত বছৰৰ দৰে

গুৱাহাটীৰ খানাপাৰৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত  অহা ২৪ ডিচেম্বৰ ২০২৫ ৰ পৰা ৬ জানুৱাৰী ২০২৬ লৈ অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব।

00000

সমাপ্ত